**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পাঁচখন দেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নামিবিয়াৰ উইণ্ডহোকলৈ ৰাওনা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত ৫ বছৰত ভাৰত আৰু ব্ৰাজিলৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য বৰ্তমানৰ এহেজাৰ ২২০ কোটি ডলাৰৰ পৰা ২ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৩। চীন, পাকিস্তান আৰু বাংলাদেশৰ একে ধৰণৰ মনোভাৱে ভাৰতৰ সুস্থিৰতা আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে বুলি চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৃষকক উদ্যোগীলৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। **আৰু**

৫। বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ এৰিনা ছাবালেংকাই উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

পাঁচখন দেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নামিবিয়াৰ উইণ্ডহোকলৈ ৰাওনা হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি নেটুম্বো নন্দি-দেইটৱাহৰ আমন্ত্ৰণ মৰ্মে শ্ৰীমোদী দেশখনলৈ গৈছে। এয়া হ'ব প্ৰায় তিনিটা দশকৰ বিৰতিৰ পাছত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ তৃতীয় আৰু শ্ৰীমোদীৰ প্ৰথমটো নামিবিয়া ভ্ৰমণ। দেশখনত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰীমোদীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব আৰু তাৰ পাছত উভয় দেশৰ অৰ্থনৈতিক সহযোগিতাক গভীৰ কৰাৰ লক্ষ্যৰে প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব।

শ্ৰীমোদীৰ এই ভ্ৰমণৰ সময়ত শক্তি সুৰক্ষা, স্বাস্থ্য আৰু ঔষধৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত সহযোগিতা প্ৰসাৰ কৰাৰ উদ্দেশ্যে দুয়োখন দেশৰ মাজত ভালেকেইখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব বুলি আশা কৰা হৈছে। এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰীগৰাকীক নামিবিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হ'ব। নামিবিয়াত উপস্থিত হোৱাৰ পাছত শ্ৰীমোদীয়ে দেশখনৰ পিতৃস্বৰূপ তথা প্ৰথম ৰাষ্ট্ৰপতি ড০ ছাম নুজমাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। দিনটোৰ বিয়লিৰ ভাগত শ্ৰীমোদীয়ে নামিবিয়াৰ সংসদক সম্বোধন কৰিব।

শ্ৰীমোদীৰ ভ্ৰমণে উভয় দেশৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ লগতে হাইড্ৰকাৰ্বনকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ নতুন পথ অন্বেষণৰ বাট মুকলি কৰিব। দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ, খনন, হীৰা, শক্তি, স্বাস্থ্য যতন, প্ৰতিৰক্ষা, পৰিৱেশ, জৈৱ বৈচিত্ৰ, সামৰ্থ বিকাশ আদি বিভিন্ন ক্ষেত্ৰত সু-সম্পৰ্ক

আছে। উল্লেখযোগ্য যে, বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত উভয় দেশৰ মাজত থকা সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে ২০২২ বৰ্ষৰ ছেপ্তেম্বৰত নামিবিয়াৰ পৰা ভাৰতৰ কুনো ৰাষ্ট্ৰীয় উদ্যানলৈ ৮টা চিতা বাঘ অনা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত ৫ বছৰত ভাৰত আৰু ব্ৰাজিলৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য বৰ্তমানৰ এহেজাৰ ২২০ কোটি ডলাৰৰ পৰা ২ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডি ছিলভাৰ সৈতে ব্ৰাচিলিয়াত এখন যুটীয়া সংবাদমেল সম্বোধন কৰি নৰেন্দ্ৰ মোদীয়ে কয়, যে ব্ৰাজিল আৰু ভাৰতে মাৰ্কোচুৰ অগ্ৰাধিকাৰ বাণিজ্যিক চুক্তি অধিক সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত লোৱাৰ লগতে এই চুক্তিৰ জৰিয়তে অধিক সামগ্ৰী আমদানি-ৰপ্তানী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব। উল্লেখযোগ্য যে মাৰ্কোচুৰ হৈছে ব্ৰাজিল, আৰ্জেণ্টিনা, পাৰাগুৱে আৰু উৰুগুৱেক সামৰি লোৱা আঞ্চলিক বাণিজ্যিক গোট। সংবাদমেলত শ্ৰীমোদীয়ে ভাৰতত চলি থকা ডিজিটীয় লেনদেনৰ সৈতে সংগতি ৰাখি ব্ৰাজিলতো ডিজিটীয় লেনদেনৰ বাবে ইউ পি আই ব্যৱস্থা আৰম্ভ কৰাৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে দুয়োখেন দেশে দ্বিপাক্ষিক সহযোগিতাৰ বাবে কৃষি, খাদ্য সংসাধন, ডিজিটীয় জন আন্তঃগাঁথনি আৰু মহাকাশ প্ৰযুক্তিকে ধৰি আন আন কেইবাটাও বিষয়ত কাম কৰি যাব বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে ভ্ৰমণকালত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ব্ৰাজিলৰ সৰ্বোচ্চ অসামৰিক বঁটা প্ৰদান কৰা হয়। ভাৰত আৰু ব্ৰাজিলৰ দ্বিপাক্ষিক সম্পৰ্কক ত্বৰান্বিত কৰাৰ লগতে গুৰুত্বপূৰ্ণ গোলকীয় মঞ্চসমূহত উভয় দেশৰ সহযোগিতা চকুত লগা ধৰণে বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা অৱদানসমূহক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা ডি ছিলভাই এই বঁটা প্ৰদান কৰে।

০০০০০

বৈদেশিক মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব পি কুমাৰনে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ মাজত হোৱা আলোচনাকালত দুয়োগৰাকী নেতাই কৃষি খণ্ডৰ অৱদানক স্বীকাৰ কৰাৰ লগতে উভয় দেশৰ অৰ্থনীতিলৈ কৃষি খণ্ডই আগবঢ়োৱা উল্লেখযোগ্য অৱদানসমূহে আগস্থান লাভ কৰে। ব্ৰাচিলিয়াত সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীকুমাৰনে কয়, যে দুয়োগৰাকী নেতাৰ মাজত হোৱা আলোচনাত প্ৰধানমন্ত্ৰীয়ে ব্ৰাজিলৰ সৈতে জ্ঞান বিনিময় তথা প্ৰযুক্তিৰ আদান-প্ৰদানকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ প্ৰস্তাৱ দিয়ে। আলোচনাত ডিজিটীয় পদ্ধতিৰ প্ৰসাৰ আৰু ডিজিটীয় জন আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতায়ো স্থান পাই বুলি সচিবগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে আলোচনাত উভয় দেশৰ জনসাধাৰণৰ মাজত সম্পৰ্ক আৰু যোগাযোগ ব্যৱস্থাক শক্তিশালী কৰি তোলাক লৈও মত বিনিময় কৰা হয়। ক্ৰিকেটত ভাৰতৰ আৰু ফুটবলত ব্ৰাজিলৰ সামৰ্থৰ বিষয়ে আলোচনা কৰি উভয় পক্ষই বৈঠকত ক্ৰীড়া, ক্ৰীড়া ব্যৱস্থাপনা আৰু সামৰ্থ বৃদ্ধিৰ বিষয়েও অৱতাৰণা কৰে বুলি সংবাদমেলত শ্ৰীকুমাৰনে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ৪টা বছৰত এয়া হ'ল শ্ৰীমোদীৰ চতুৰ্থটো ব্ৰাজিল ভ্ৰমণ। আলোচনাকালত কালি তিনিখন চুক্তি স্বাক্ষৰ কৰা হয় আৰু এয়া ব্ৰাজিলৰ ৰাষ্ট্ৰপতি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সন্মুখতে আদান-প্ৰদান কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে কৈছে, যে ভাৰতৰ প্ৰতি থকা চীন, পাকিস্তান আৰু বাংলাদেশৰ একে ধৰণৰ মনোভাৱে ভাৰতৰ সুস্থিৰতা আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে।

অবজাৰ্ভাৰ ৰিচাৰ্চ ফাউণ্ডেচনে কালি আয়োজন কৰা এটা অনুষ্ঠানত ভাষণ দি জেনেৰেল চৌহানে কয়, যে ভাৰত মহাসাগৰ অঞ্চলৰ দেশসমূহৰ অৰ্থনৈতিক অস্থিৰতাই বাহিৰা দেশসমূহক ক্ষমতা বৃদ্ধি কৰাৰ সুযোগ দিছে আৰু ই ভাৰতৰ ক্ষেত্ৰত অস্থিৰতাৰ কাৰক হিচাপে চিহ্নিত হব পাৰে। ভাষণত তেওঁ অপাৰেচন সিন্দূৰৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কয় যে হয়তো প্ৰথমবাৰৰ বাবে দুখন পাৰমাণৱিক অস্ত্ৰধাৰী ৰাষ্ট্ৰই প্ৰত্যক্ষভাৱে সংঘাটত লিপ্ত হৈছে। পাৰমাণৱিক ভাবুকিৰ আগত ভাৰতে শিৰনত নকৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে অপাৰেচন সিন্দূৰ হল পাৰমাণৱিক অস্ত্ৰৰে শক্তিশালী দুখন ৰাষ্ট্ৰৰ মাজৰ সংঘাতৰ একমাত্ৰ উদাহৰণ।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৃষকক উদ্যোগীলৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মীৰাটৰ চৰ্দাৰ বল্লভ ভাই পেটেল কৃষি বিশ্ববিদ্যালয়ত কৃষি প্ৰযুক্তি উদ্ভাৱন কেন্দ্ৰ উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে।

কৃষিৰ পৰা হোৱা আয় দুগুণ আৰু উচিত মূল্য নিশ্চিত কৰাত কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকাত আলোকপাত কৰি তেওঁ ৰ'পাৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত থকা কৃষিৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষতা কেন্দ্ৰৰ কথা উনুকিয়ায়। কৃষককেন্দ্ৰিক গৱেষণা আৰু ষ্টাৰ্টআপক উন্নীত কৰিবলৈ শ্ৰীপ্ৰধান বিশ্ববিদ্যালয়খনত এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী জয়ন্ত চৌধাৰী আৰু সূৰ্য্য প্ৰতাপ শ্বাহীয়েও অংশগ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰী শ্ৰীচৌধাৰীয়ে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু কৃষি বিশ্ববিদ্যালয়ৰ সহযোগিতাৰ প্ৰশংসা কৰি উদ্ভাৱনসমূহ এতিয়া পোনপটীয়াভাৱে পামলৈ যাব আৰু ইয়াৰ জৰিয়তে কৃষকৰ জীৱনত স্পষ্ট প্ৰভাৱ পৰিব বুলি উল্লেখ কৰে।

ooooo

বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ এৰিনা ছাবালেংকাই জাৰ্মানীৰ ল’ৰা ছিগেমুণ্ডৰ শক্তিশালী প্ৰত্যাহ্বান নেওচি লণ্ডনৰ অল ইংলেণ্ড ক্লাবত চলি থকা চলিত বৰ্ষৰ উইম্বলডন টেনিছ প্ৰতিযোগিতাৰৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে।

খেলখনৰ প্ৰথমটো ছেটত পৰাস্ত হোৱাৰ পাছত বেলাৰুছৰ ছাবালেংকাই প্ৰত্যাৱৰ্তন কৰি প্ৰায় তিনি ঘণ্টাৰ যুঁজত ৪-৬, ৬-২, ৬-৪ ফলাফলত জয়লাভ কৰে।

ছেমিফাইনেলত ছাবালেংকা কাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ উদীয়মান তাৰকা আমাণ্ডা এনিছিমোভাৰ সন্মুখীন হ'ব। অনিচিমোভাই ৰাছিয়াৰ আনাষ্টেছিয়া পাভল্যুচেনকোভাক পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল।

ooooo

ভাৰতৰ স্পীন বলাৰ দিপ্তী শৰ্মাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে ঘোষণা কৰা মহিলাৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় বলাৰৰ ৰেংকিঙৰ দ্বিতীয় স্থানত উপনীত হৈছে। খেলুৱৈগৰাকীয়ে অষ্ট্ৰেলিয়াৰ বেগী বলাৰ আন্নাবেল ছুথাৰলেণ্ডক অতিক্ৰম কৰি এই কৃতিত্ব অৰ্জন কৰে। ৰেংকিঙৰ শীৰ্ষ স্থানত থকা পাকিস্তানৰ ছাদিয়া ইকবালতকৈ দিপ্তী কেৱল ৮ পইণ্টৰ ব্যৱধানত দ্বিতীয় স্থানত আছে।

ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ৩টা উইকেট দখল কৰাৰ সুবাদত দিপ্তী ৰেংকিঙৰ দ্বিতীয় স্থানত উপনীত হৈছে। খেলুৱৈগৰাকী বিগত ছবছৰে টি-২০ ক্ৰিকেটৰ আন্তঃৰাষ্ট্ৰীয় বলাৰসকলৰ শীৰ্ষ ১০ গৰাকীৰ ভিতৰত আছে যদিও এইপৰ্যন্ত শীৰ্ষস্থানত উপনীত হ'ব পৰা নাই।

ooooo

সমাপ্ত